**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-04-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

---------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ডিফুত পূৰ্বৰ ছটা সশস্ত্ৰ সংগঠনৰ সদস্যৰ সৈতে বৈঠক।

২। ৱক্‌ফ সংশোধনী আইনৰ বলবৎকৰণ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ অন্তৰৰ্তী আদেশ জাৰি। কেন্দ্ৰীয় চৰকাৰ, ৱকফ বোৰ্ড আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহলৈ জাননী জাৰি।

৩। অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ জিলা পৰিষদৰ বাবে ছহেজাৰ ৭৬১খন মনোনয়ন পত্ৰ গ্ৰহণ।

৪। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাইত ছানৰাইজাৰ্ছ হায়দৰাবাদ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ ডিফুত ১০০ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত কেইবাটাও পথ উন্নয়ন প্ৰকল্প, প্ৰতিমূৰ্তি-তোৰণ উন্মোচন আৰু দলং নিৰ্মাণ প্ৰকল্প অন্যতম। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ডিফুত প্ৰথমগৰাকী কাৰ্বি ৰজা আৰু ৰাণী ৰেংবংহ'মৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলাখনলৈ যোৱা মুখ্যমন্ত্ৰী শৰ্মাই আজি লৰেন্‌্য ৰেঙমা গাঁও সমিতিৰ সভাপতি আৰু গাঁও প্ৰধানক সাক্ষাৎ কৰি ৰেঙমা সম্প্ৰদায়ৰ উন্নয়ন আৰু সৰ্বাংগীন বিকাশ সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ ডিফুৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপী অতিথিশালাত অসমৰ ভৈয়ামৰ কাৰ্বি সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অঞ্চলটোত সামগ্ৰিক উন্নয়ন আৰু স্থায়ী শান্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰি কাৰ্বি জনগোষ্ঠীৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই তাৰালাংচুত জিলাখনৰ পূৰ্বৰ সশস্ত্ৰ সংগঠন পি ডি চি কে, কে এল এন এল এফ, কে পি এল টি ডি, কে পি এল টি আৰ, কে পি এল টি এম আৰু ইউ পি এল এৰ প্ৰাক্তন সদস্যসকলৰ সৈতেও বৈঠকত মিলিত হয়। এই সংগঠনসমূহে ২০২১ চনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে ঐতিহাসিক শান্তি চুক্তিত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰীয়ে সংগঠন কেইটাৰ প্ৰাক্তন সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মুখ্যমন্ত্ৰী শৰ্মাই ডিফুত অংগনবাড়ী কৰ্মী আৰু শিশুসকলৰ মাজত সামগ্ৰী বিতৰণ কৰি কয়, যে অহা ১ অক্টোবৰৰ পৰা অংগনবাড়ী কৰ্মীৰ দৰমহা বৃদ্ধিৰ লগতে তেওঁলোকক এককালীন সাহায্য আগবঢ়োৱাৰ পৰিকল্পনা কৰা হৈছে। শিশুসকলক উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ হ'লে অংগনবাড়ী কেন্দ্ৰৰ পৰাই এই প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইন সন্দৰ্ভত আজি অন্তৰৰ্তীকালীন আদেশ যোগে ৱকফ বোৰ্ডৰ কেন্দ্ৰীয় পৰিষদত কোনো নিযুক্তি দিয়াটো বাৰণ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰ, ৱকফ বোৰ্ড আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহক সাত দিনৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ দিছে।

মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে গোচৰটোৰ শুনানি লৈ ন্যায়ালয়ে চৰকাৰে উত্তৰ দিয়াৰ ৫ দিনৰ ভিতৰত আবেদনকাৰীয়েও উত্তৰ দিব লাগিব বুলি জাননীত

উল্লেখ কৰে। এই গোচৰৰ পৰৱৰ্তী শুনানি ৫ মে'ত অনুষ্ঠিত হ'ব। এই শুনানি সন্দৰ্ভত গোচৰীয়া পক্ষৰ এগৰাকী অধিবক্তাই এই দৰে কয়-

*(বাইট ঃ অধিবক্তা)*

ইয়াৰ আগেয়ে ন্যায়ালয়ত কালি অনুষ্ঠিত শুনানিত কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্‌ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰ্ৱৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্‌ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

১৯৯৫ চনৰ ৱক্‌ফ আইনৰ সংশোধনীৰ সাংবিধানিক বৈধতাক লৈ কেইবাখনো ৰাজ্যই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

ooooooo

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া প্ৰাৰ্থীসকলৰ তালিকা আজি জিলাসমূহত ঘোষণা কৰা হ'ব। ইতিমধ্যে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ বাবে বিয়লি ৩ বজাত পৰ্যন্ত ধাৰ্য কৰা অন্তিম সময়ৰ পাছত জিলাসমূহত প্ৰাৰ্থীৰ চূড়ান্ত তালিকা ঘোষণাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। এই ক্ষেত্ৰত ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসনৰ বাবে ৭ হাজাৰ ১৭৪খন আবেদন দাখিল কৰা হৈছিল। ইয়াৰ ভিতৰত ছহেজাৰ ৭৬১খন আবেদন গ্ৰহণ কৰা হয়। গ্ৰহণ হোৱা আবেদনসমূহৰ ভিতৰত ১৮৯খন আবেদন নাকচ কৰাৰ বিপৰীতে ২৩৪খন আবেদন প্ৰত্যাহাৰ কৰা হয়। এই পৰ্যন্ত আয়োগে জিলা আৰু আঞ্চলিক পঞ্চায়তৰ আসনত দুহেজাৰ ৬৫১গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি জানিবলৈ দিছে। অৱশ্যে পৰৱৰ্ত্তী সময়ত যাৱতীয় গণনাৰ পাছত এই সংখ্যা কম-বেছি হোৱাৰ সম্ভাৱনা আছে। একেদৰে ৱাৰ্ডসমূহত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলগীয়া প্ৰাৰ্থীসকলৰ পৰিসংখ্যা এতিয়ালৈকে পোহৰলৈ অহা নাই। উল্লেখযোগ্য যে জিলা পৰিষদৰ ৩৯৭খন আৰু আঞ্চলিক পঞ্চায়তৰ দুহেজাৰ ১৯২খন আসনত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৱাৰ্ড সদস্যৰ ২১ হাজাৰ ৯২০খন আসনৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উলংঘাকে ধৰি পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় অভিযোগৰ বাবে প্ৰতিখন জিলাত এটা শুল্কবিহীন নম্বৰৰ ব্যৱস্থা কৰিছে। জনসাধাৰণে এই জিলাভিত্তিক নম্বৰসমূহত ফোন কৰি ওজৰ আপত্তি দাখিল কৰিব পাৰিব।

জিলা পৰ্যায়ত প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ আগতেই ৰাজ্যৰ বিভিন্ন ঠাইত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। শিৱসাগৰত ৰাইজৰ দলৰ হৈ জ্যেষ্ঠ নেতা অনুপ বৰপাত্ৰ গোঁহাইয়ে এখন সংবাদমেল সম্বোধন কৰি শিৱসাগৰ সমষ্টিৰ ছখন জিলা পৰিষদৰ আসন বুজাবুজিৰ ক্ষেত্ৰত কংগ্ৰেছ দলে নিজৰ স্থিতি স্পষ্ট নকৰাৰ বাবে ৰাইজৰ দলে অকলে নিৰ্বাচন খেলাৰ পোষকতা কৰিছে বুলি জানিবলৈ দিয়ে।

ইফালে, শাসকীয় বিজেপি দলে আৰক্ষীক নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰাকে ধৰি আন কেইবাটাও গুৰুতৰ অভিযোগ তুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ কৰ্মীসকলে উলুবাৰী আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ৰ সন্মুখত আজি প্ৰতিবাদ সাব্যস্ত কৰে।

কামৰূপ জিলাত অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা ইতিমধ্যে আমাৰ সংবাদদাতাই জানিবলৈ দিছে। জিলাখনৰ পৰা এই সন্দৰ্ভত আমাৰ সংবাদদাতা কৌশিক দাসে এনেদৰে কয়-

**বাইট (কোশিক দাস)**

মানকাচৰত আজি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা একাংশ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ পাছত সমষ্টিটোৰ চাৰিখন জিলা পৰিষদত ২৫গৰাকী প্ৰাৰ্থীৰ মনোনয়ন যোগ্য বিবেচিত হৈছে। ৩৫খন গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্যপদৰ

বাবে ১৫০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল যদিও ইয়াৰ চাৰিগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ আজি বাতিল হয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

২ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে শোণিতপুৰ জিলাৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ কাৰণে প্ৰথমটো প্ৰশিক্ষণ আজি অনুষ্ঠিত হয়। জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ১২০টা ভোটগ্ৰহণ কেন্দ্ৰত ১৫০গৰাকী মহিলা নিৰ্বাচনী বিষয়া আৰু এহেজাৰ ১৪১গৰাকী পুৰুষ বিষয়াই অংশগ্ৰহণ কৰে।

যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তৰ উপৰি জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তকে প্ৰমুখ্য কৰি নিৰ্বাচনত জড়িত বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্ত জয় শিৱানীয়ে জিলাখনৰ তিনিওটা বিধানসভা সমষ্টিৰ অন্তৰ্গত পৰিবহন কোষৰো এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০০০

সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত যিসকল পৰিক্ষাৰ্থীয়ে ন্যূনতম তিনিটা বিষয়ত অনুত্তীৰ্ণ হৈছে আৰু অন্ততঃ মুঠ ১৭০ নম্বৰ লাভ কৰিছে সেইসকল পৰিক্ষাৰ্থীয়েহে এই কম্পাৰ্টমেণ্টেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ১ নম্বৰ সংমণ্ডলৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি অৱতীৰ্ণ হোৱা পৰিক্ষাৰ্থীসকলে উত্তীৰ্ণ হোৱাৰ বাবে ন্যূনতম ৩০ শতাংশ নম্বৰ লাভ কৰাৰ লগতে সৰ্বমুঠ ১৮০ বা ততোধিক নম্বৰ পাব লাগিব। কম্পাৰ্টমেণ্টেল পৰীক্ষাত উত্তীৰ্ণ সকলো শিক্ষাৰ্থীয়ে চলিত শিক্ষা বৰ্ষতে নামভৰ্তি কৰিব পাৰিব। নিৰ্দেশনাটোত উল্লেখ কৰা অনুযায়ী এই পৰীক্ষাৰ সময়সূচী পৰৱৰ্তী পৰ্যায়ত ঘোষণা কৰা হ'ব। প্ৰতিটো বিষয়ৰ বাবে পৰিক্ষাৰ্থীসকলে ৫০০ টকাকৈ বেংক চালান ষ্টেট বেংক অব ইণ্ডিয়াৰ জৰিয়তে আদায় দিয়াৰ লগতে ১৫০ টকাকৈ কেন্দ্ৰ মাচুল পৰিশোধ কৰিব লাগিব। উল্লেখযোগ্য যে এই পৰীক্ষা থিয়ৰী কাকতৰ ক্ষেত্ৰতহে অনুষ্ঠিত হ'ব। পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে পৰীক্ষা কেন্দ্ৰৰ তালিকা পৰ্টেলত উপলব্ধ হ'ব বুলি পৰিষদে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰে পৰা ২৪ এপ্ৰিললৈ দৰ্পণ নামভৰ্তি প'ৰ্টেল মুকলি কৰিছে। পৰিষদৰ সংমণ্ডল ২ৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিভিন্ন শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে www.darpan.ahseconline. in অথবা www.ahsec. assam.gov.in ৰ জৰিয়তে অনলাইন আবেদন দাখিল কৰিব পাৰিব। অনলাইন আবেদন দাখিলৰ পাছত ২৫ৰ পৰা ২৬ এপ্ৰিলৰ ভিতৰত শিক্ষানুষ্ঠানসমূহে যোগ্যতাৰ তালিকা আৰু অপেক্ষাৰত তালিকা প্ৰস্তুত কৰি ২৭ এপ্ৰিলত প্ৰকাশ কৰিব। শিক্ষাৰ্থীসকলে ২৭ৰ পৰা ২৯ এপ্ৰিলৰ ভিতৰত নিৰ্ধাৰিত শিক্ষানুষ্ঠানত নামভৰ্তি কৰিব লাগিব। শিক্ষানুষ্ঠানসমূহে ৩০ৰ পৰা ১০ মে'ৰ ভিতৰত দৰ্পণ প'ৰ্টেলত শিক্ষাৰ্থীসকলৰ নামভৰ্তি নিশ্চিত কৰিব লাগিব। অৱশ্যে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত নামভৰ্তি কৰিব নোৱাৰা শিক্ষাৰ্থীসকলৰ বাবে ১০ মে'ৰ পূৰ্বে পুনৰ ৫ দিনৰ বাবে দৰ্পণ নামভৰ্তি প'ৰ্টেল মুকলি কৰি দিয়া হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০০০

ৰাজ্যজুৰি ৰঙালীৰ উছাহ অব্যাহত আছে। সাতবিহুৰ চতুৰ্থ দিনটো আজি তাঁতৰ বিহু হিচাপে পালন কৰা হয়। অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ উদ্যোগত আমবাৰীৰ বস্ত্ৰ ভৱনত আজি দিনজোৰা কাৰ্যসূচীৰে তাঁতৰ বিহু পালন কৰা হয়।

দেউৰী জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চলসমূহত দেউৰীসকলৰ বসন্ত উৎসৱ ইবাকু বিছুও কালিৰে পৰা সপ্তাহজুৰি পালন কৰা হৈছে। এই উৎসৱ উপলক্ষে কালি গোঁসানীশালত পূজা-অৰ্চনা আগবঢ়োৱাৰ পাছত ডেকা-গাভৰুসকলে একত্ৰিত হৈ নিশা দেউৰী বিহু পৰিবেশন কৰে। আজি পুৱা ডেকা-গাভৰুসকলে পৰম্পৰাগত বোকা খেলত ভাগ লয়। কৃষিজীৱি দেউৰীসকলে বিশ্বাস কৰে যে বোকা খেলৰ আন্দৰ সমানুপাতিকভাৱে কৃষিভূমিও উৰ্বৰা হয়। বোকা বিহু উপলক্ষে আজি ধেমাজি জিলাৰ

বৰদলনি, গোগামুখ, শ্ৰীপানী, জোনাই আদি অঞ্চলত ব্যাপক উছাহ পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে দেউৰী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগতভাৱে চ'ত মাহতেই বিহুতলী বা বিছুকলা স্থাপন কৰে। ইয়াৰ পাছত ব'হাগৰ প্ৰথমটো বুধবাৰৰ পৰা সপ্তাহজোৰাকৈ ইবাকু বিছু বা বসন্ত উৎসৱ পালন কৰা হয়।

ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আয়োজন কৰা মঞ্চ বিহু অনুষ্ঠানসমূহত হুঁচৰি, বিহুনাচ, লোক কৃষ্টিৰ বিভিন্ন অনুষ্ঠানৰ লগতে জনপ্ৰিয় সংগীত শিল্পীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হৈছে। ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীৰ লতাশিল মঞ্চত আজি নিশা বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ পৰাই শ্ৰেষ্ঠ ঢুলীয়া আৰু শ্ৰেষ্ঠ পেঁপুৱৈও নিৰ্বাচিত কৰা হ'ব। যোৱা নিশা গুৱাহাটী বিহু সন্মিলনীৰ বিহু কুঁৱৰী আৰু বিহুৰাণী প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। দুলীয়াজানৰ দীক্ষা গগৈয়ে বিহু কুঁৱৰী আৰু ধেমাজিৰ প্ৰীতিৰাণী বৰগোঁহাইয়ে বিহুৰাণীৰ খিতাপ অৰ্জন কৰে।

০০০০০০০

নামনি অসমৰ বিভিন্ন প্ৰান্তত ব'হাগ বিহুৰ পৰম্পৰাৰ অংশ হিচাপে বাঁহ গোঁসাই, পাউৰাতোলা আৰু ভঠেলি উৎসৱৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ গোৰেশ্বৰৰ বেতনাত শৰণীয়া কছাৰী জনগোষ্ঠীয়ে কাইলৈৰ পৰা তিনি দিনীয়াকৈ বাঁহ গোঁসাই উৎসৱৰ আয়োজন কৰিছে। এই উৎসৱৰ অংশ হিচাপে শৰণীয়া লোক নৃত্য-গীতৰ আখৰাও সম্পূৰ্ণ হৈছে। বজালী জিলাৰ বিভিন্ন স্থানত সাত বিহুৰ দিনা পাউৰাতোলা উৎসৱৰ আয়োজন কৰা হৈছে। পৰম্পৰা অনুসৰি এই উৎসৱৰ বাবে বাঁহ গোঁসাইক ৰং বিৰঙী বস্ত্ৰৰে সজাই এটা নিৰ্দিষ্ট স্থানলৈ লৈ আহি ৰীতি-নীতি পালন কৰা হয়। উত্তৰ কামৰূপৰ কোনো কোনো অঞ্চলত অনুৰূপ ধৰণৰ উৎসৱ ভঠেলি হিচাপে উদযাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে।

০০০০০০০

চৰকাৰী অথবা প্ৰাদেশীকীকৃত বিদ্যালয়ৰ নামত কোনো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন নকৰিবলৈ কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে সকলো শিক্ষানুষ্ঠানৰ মুৰব্বীলৈ নিৰ্দেশ জাৰি কৰিছে। এই নিয়ম ভংগ কৰা শিক্ষানুষ্ঠানৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব বুলি পৰিদৰ্শকে প্ৰকাশ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ডেলহী কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**